# গোবিন্দদাস

বঙ্গীয় বৈষ্ণৱ সাহিত্যত বিশেষকৈ ব্ৰজবুলি পদাৱলী ৰচয়িতাৰ ভিতৰত গোবিন্দদাসৰ স্থান নিঃসন্দেহে সৰ্বোচ্চ। ৰূপশিল্পৰ অদ্বিতীয় কবিৰূপে গোবিন্দদাসৰ তুলনা পূৰ্বসূৰী বিদ্যাপতি আৰু উত্তৰসূৰী ভাৰতচন্দ্ৰ বা ৰবীন্দ্ৰনাথৰ লগতহে হয়। মূলতঃ তেওঁ সৌন্দৰ্যৰ কবি। তেওঁৰ অধিকাংশ পদ যেন কুন্দত কটা— 'কুন্দে যেন নিৰমাণ।' ৰসঘন অপূৰ্ব কবিত্বেৰে গোবিন্দদাসে যি কাব্যৰ সৃষ্টি কৰিছিল তাৰবাবে তেওঁ জীৱনকালতেই বিদ্বত-সমাজৰপৰা পাইছিল অপাৰ সমাদৰ। প্ৰখ্যাত বৈষ্ণৱ আচাৰ্য শ্ৰীজীৱ গোস্বামীয়ে গোবিন্দদাসৰ পদাৱলী পঢ়ি মুগ্ধ হৈছিল আৰু তেওঁক পদাৱলী পঠিয়াবলৈ অনুৰোধ জনাই পত্ৰ লিখিছিল[২৭]। গোবিন্দদাসৰ অতি উচ্চ কাব্যসাহিত্যৰ স্বীকৃতিৰূপে শ্ৰীজীৱ গোস্বামীয়ে তেওঁক 'কবীন্দ্ৰ' বা 'কবিৰাজ' উপাধিৰে সন্মানিত কৰিছিল। গোবিন্দদাসৰ প্ৰশংসাত শ্ৰীজীৱ গোস্বামীৰ শ্লোক এটি 'ভক্তিৰত্নাকৰ'ত পোৱা যায়ঃ

শ্ৰীগোবিন্দকবীন্দ্ৰচন্দনগিৰেশ্চঞ্চদ্বসন্তানিলেনানীতঃ কবিতাবলীপৰিমলঃ কৃষ্ণেন্দু সম্বন্ধ ভাক্। শ্ৰীমজ্জীবসুৰাঙ্ঘ্ৰিপাশ্ৰয়জুষো ভৃঙ্গান সমুন্নাদয়ন্ সৰ্বস্যাপি চমৎকৃতিং ব্ৰজবনে চক্ৰে কিমন্যৎ পৰম।। (অনুৰাগবল্লী)

(চঞ্চল বসন্তৰ সমীৰণে লৈ অহা শ্ৰীগোবিন্দ কবিৰাজৰূপ চন্দনগিৰিৰ কৃষ্ণ-সম্বন্ধীয় বিশিষ্ট কবিতাৱলীৰ পৰিমলে শ্ৰীমৎ জীৱৰূপ কল্পতৰুৰ আশ্ৰিত ভক্তৰূপ ভৃঙ্গসমুদায়ক উন্মাদিত কৰি ব্ৰজবনৰ সকলোকেই চমৎকৃত কৰিছিল।)

বঙ্গদেশত গোবিন্দ নামৰ তিনিজন পদকৰ্তাৰ নাম পোৱা যায়— গোবিন্দদাস কবিৰাজ, গোবিন্দদাস চক্ৰৱৰ্তী আৰু গোবিন্দ আচাৰ্য। কিন্তু এই তিনিওজনৰ ভিতৰত গোবিন্দদাস কবিৰাজৰ পদাৱলী উচ্চমান-বিশিষ্ট আৰু বঙ্গৰ কীৰ্তনীয়া-সকলৰ মাজত সমাদৃত।

গোবিন্দদাসৰ জন্মতিথি সম্পৰ্কে সঠিক নিৰ্ণয় পোৱা নাযায়[২৮]। জগবন্ধু ডাঙৰীয়াই 'গৌৰপদ তৰঙ্গিনী'ৰ ভূমিকাত এইদৰে লিখিছে— 'গোবিন্দ কবিৰাজ ১৪৫৯ শকত (১৫৩৭ খ্ৰীঃ) জন্মগ্ৰহণ আৰু ১৪৯৯ শকত (১৫৭৭ খ্ৰীঃ) দীক্ষা গ্ৰহণ কৰে তথা ১৫৩৫ শকৰ চান্দ্ৰাশ্বিন কৃষ্ণপক্ষৰ প্ৰতিপদ তিথিত মানবলীলা সম্বৰণ কৰে। এই লেখত তেওঁ ৭৬ বছৰ জীয়াই আছিল।'

নৰহৰি চক্ৰৱৰ্তীৰ 'ভক্তিৰত্নাকৰ'ত গোবিন্দদাসৰ পৰিয়াল আৰু শ্ৰীখণ্ডত মাতামহৰ

---

২৭। শ্ৰীজীৱ গোস্বামীয়ে গোবিন্দদাসলৈ পঠিওৱা দুখন পত্ৰ নৰহৰি চক্ৰৱৰ্তীৰ 'ভক্তিৰত্নাকৰ'ত সংকলিত হৈছে।

২৮। ড° শৈলেন্দ্ৰ মোহন ঝাই তেওঁৰ 'ব্ৰজবোলী সাহিত্য'ত গোবিন্দদাস কবিৰাজৰ জন্ম ১৫৩৪ খ্ৰীঃ আৰু মৃত্যু ১৬১৩ খ্ৰীঃ বুলি উল্লেখ কৰিছে।

ঘৰত নিবাস কৰা সম্বন্ধে এইদৰে লিপিবদ্ধ আছে—

ৰামচন্দ্ৰ গোবিন্দ ও দুই সহোদৰ।
পিতা চিৰঞ্জীব মাতামহ দামোদৰ।।
দামোদৰ সেনেৰ নিবাস শ্ৰীখণ্ডতে।
যেহোঁ মহাকবি নাম বিদিত জগতে।।

পুনৰ 'চৈতন্যচৰিতামৃত'ৰ শ্ৰীচৈতন্য শাখাত গোবিন্দদাসৰ পিতৃ চিৰঞ্জীৱৰ উল্লেখ পোৱা যায়—

খণ্ডবাসী মুকুন্দদাস শ্ৰীৰঘুনন্দন।
নৰহৰিদাস চিৰঞ্জীৱ সুলোচন।। (১-১০—৭৮)

গোবিন্দদাসে নিজে তেওঁৰ 'সঙ্গীত মাধৱ' নাটকত পিতাক এজন সুপৰিচিত ব্যক্তি আছিল বুলি উল্লেখ কৰিছে। ড° বিমানবিহাৰী মজুমদাৰে চিৰঞ্জীৱ সেনক হুসেন শাহৰ (১৪৯৩-১৫১৯ খ্ৰীঃ) পুত্ৰ নসৰৎ শাহৰ (১৫১৯-১৫৩২ খ্ৰীঃ) অমাত্য আছিল বুলি মত প্ৰকাশ কৰিছে[২৯]। তেওঁ পুৰীলৈ শ্ৰীচৈতন্য মহাপ্ৰভুক দৰ্শন কৰিবলৈকো গৈছিল।

গোবিন্দদাসৰ মাকৰ নাম আছিল সুনন্দা। বাল্যাৱস্থাত পিতাকৰ মৃত্যু হোৱাত ককায়েক ৰামচন্দ্ৰ আৰু গোবিন্দৰ লালন-পালন শ্ৰীখণ্ডত থকা মোমায়েকৰ ঘৰত হয়। মাতামহ দামোদৰৰ প্ৰভাৱত দুয়ো শাক্ত মতত দীক্ষিত হয়, কিন্তু পিছলৈ শ্ৰীনিবাস আচাৰ্যৰ ওচৰত দীক্ষা লৈ দুয়ো বৈষ্ণৱ হয়। খেতুৰীত হোৱা বৈষ্ণৱ মহোৎসৱত গোবিন্দদাসে যোগদান কৰা বুলি উল্লেখ পোৱা যায়। তেওঁৰ পত্নীৰ নাম আছিল মহামায়া আৰু পুত্ৰৰ নাম দিব্যসিংহ। সময়ত দিব্যসিংহও এজন খ্যাতিমান কবি হয়।

প্ৰথমাৱস্থাত গোবিন্দদাসে গৌৰাঙ্গ বিষয়ক পদ ৰচনা কৰিছিল যদিও, গুৰুৰ নিৰ্দেশত কৃষ্ণলীলা বিষয়ক পদাৱলী ৰচনা কৰিবলৈ লয়। ড° সুকুমাৰ সেনে গোবিন্দদাসৰ পদাৱলীৰ সংখ্যা চাৰিশৰো উপৰ বুলি মত প্ৰকাশ কৰিছে[৩০]। ড° মজুমদাৰে তেওঁৰ 'গোবিন্দদাসেৰ পদাবলী ও তাঁহাৰ যুগ'ত ৭৬০ টা প্ৰামাণিক পদাৱলী সন্নিবিষ্ট কৰিছে। এই পদসমূহ ব্ৰজবুলি ভাষাত ৰচিত। বঙলা ভাষাত গোবিন্দদাসৰ কোনো পদ নাই বুলি ড° সেনে সিদ্ধান্ত দিছে[৩১]। মৈথিলী শব্দৰ প্ৰয়োগৰ বাহুল্যতাৰ ওপৰত ভিত্তি কৰি প্ৰাচ্যবিদ্যা মহাৰ্ণৱ নগেন্দ্ৰ নাথ গুপ্তই গোবিন্দদাসক মৈথিলী কবি বুলিও ক'ব খোজে, কিন্তু ড° সুকুমাৰ সেন[৩২], ড° বিমানবিহাৰী মজুমদাৰে[৩৩] এই যুক্তিৰ খণ্ডন কৰিছে।

কবিৰূপে গোবিন্দদাস বিদ্যাপতিৰ ওচৰত ঋণী। বিদ্যাপতিৰ ভাব-ভাষাৰ প্ৰভাৱ

২৯। গোবিন্দদাসেৰ পদাৱলী ও তাঁহাৰ যুগ, ভূমিকা।
৩০। বৈষ্ণৱীয় নিবন্ধ, পৃঃ ২৬১
৩১। ঐ
৩২। ঐ, পৃঃ ২৩৮-২৫১
৩৩। গোঃ পঃ তাঃ যুঃ ভূমিকা

গোবিন্দদাসৰ ওপৰত পৰিছে। উদাঃ

বিদ্যাপতিঃ কনকলতা অবলম্বন উঅল
হৰিণ-হীন হিমধামা।
★ ★ ★
জঁহা জঁহা পদ-জুগ ধৰঈ।
তহিঁ তহিঁ সৰোৰুহ ভৰঈ।।
জঁহা জঁহা ঝলকত অঙ্গ।
তহিঁ তহিঁ বিজুৰি তৰঙ্গ।।

গোবিন্দদাসঃ কনকলতা তনু বদন ভান জনু
উয়ল পুনমিক চন্দা।
★ ★ ★
যাঁহা যাঁহা নিকসই তনু তনু-জ্যোতি।
তাঁহা তাঁহা বিজুৰি চমক মতি হোতি।।
যাঁহা যাঁহা অৰুণ চৰণে চল চলাই।
তাঁহা তাঁহা থল-কমল-দল খলই।।

গোবিন্দদাসৰ পদাৱলীত কিছু প্ৰভাৱ চণ্ডীদাসৰো নপৰা নহয়। সেয়ে তেওঁ পূৰ্বসূৰী কবি বিদ্যাপতিৰ উপৰি জয়দেৱ আৰু চণ্ডীদাসৰ প্ৰতিও প্ৰশস্তিমূলক পদ ৰচনা কৰি নিজৰ ঋণ স্বীকাৰ কৰিছেঃ

বিদ্যাপতিঃ বিদ্যাপতি পদ যুগল সৰোৰুহ
নিস্যন্দিত মকৰন্দে।
তছু মঝু মানস মাতল মধুকৰ
পিবইতে কৰু অনুবন্ধে।।

জয়দেৱঃ শ্ৰীজয়দেৱ কবীশ্বৰ সুৰতৰু
যছু পদপল্লবছাহে।
তাপ তাপিত মঝু হৃদয় বিয়াকুল
জুড়াইতে কৰু অবগাহে।।

চণ্ডীদাসঃ চণ্ডীদাস চৰণ চিন্তামণিগণ
শিৰে কৰি ভূষা।
শৰণাগত জনে হীন অকিঞ্চনে
কৰুণা কৰি পূৰব আশা।।.....

গোবিন্দদাসৰ ওপৰত বৃন্দাবনৰ 'অষ্টছাপ'ৰ প্ৰভাৱো মন কৰিবলগীয়া।[৩৪] জ্ঞানদাসৰ ব্ৰজবুলি পদৰ প্ৰভাৱো গোবিন্দদাসৰ ওপৰত পৰিছিল। পূৰ্বসূৰী কবিসকলৰ প্ৰভাৱ

৩৪। দ্ৰষ্টব্য ঃ গোঃ পঃ তাঃ যুঃ, পৃঃ ৪০৮-৪১৪

গোবিন্দদাসৰ ওপৰত পৰিছিল যদিও, তেওঁ ভাবগত তন্ময়তাৰ কাৰণে এক সুকীয়া স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। বিদ্যাপতিৰ কাব্য হৈছে বহিৰ্মুখী, ইয়াত দেখা যায় সৌন্দৰ্যৰ চঞ্চল প্ৰকাশ। কিন্তু গোবিন্দদাসৰ ভাবাবেগ হৈছে অন্তৰ্মুখী, স্থিৰ। চণ্ডীদাস আৰু বিদ্যাপতিৰ ৰাধাৰ মাজত মানৱীয়তাৰ ৰেঙণি আছে কিন্তু গোবিন্দদাসৰ ৰাধা অলৌকিক অথচ অপূৰ্ব সুন্দৰী। জ্ঞানদাসৰ ৰাধাই শ্যাম-প্ৰসঙ্গৰ অৱতাৰণা হ'লেই নিজৰ দেহৰ ৰোমাঞ্চ সম্বৰণ কৰিব নোৱাৰা হয়, জ্যেষ্ঠজনৰ আগতো প্ৰেমবিহ্বলা হৈ পৰে; কিন্তু গোবিন্দদাসৰ ৰাধাই প্ৰগল্‌ভা হৈ নিজৰ সাজ-সজ্জা, আচৰণ, কথা-ৰতৰাৰ মাজেৰে নিজৰ শ্যাম-তন্ময়তা সকলোৰে আগত সদৰি কৰে। **ৰূপানুৰাগ আৰু অভিসাৰৰ** পদাৱলী গোবিন্দদাসৰ শ্ৰেষ্ঠ কাব্য নিদৰ্শন।

গোবিন্দদাস ৰাগানুগা ভক্তিৰ সাধক। সেই কাৰণে তেওঁ লীলা বৰ্ণনাৰ পদসমূহত এজন একান্ত সেৱকৰূপে 'দাস গোবিন্দে কহলে আনন্দ', 'দাস গোবিন্দ ছাৰ', 'মহিমাহো বঞ্চিত দাস গোবিন্দ', 'দীনহীন বঞ্চিত গোবিন্দদাস বহু দূৰ' ইত্যাদি বুলি একাধিক পদত ভণিতা দিছে।

গোবিন্দদাসে ৰাধা-কৃষ্ণ পদাৱলীবোৰত দুয়োৰে পূৰ্বৰাগ, মিলন আৰু সম্ভোগ, স্বয়ং দৌত্য, অভিসাৰ, বনবিহাৰাদি লীলা, দানলীলা, নৌকালীলা, দৌল তথা ঝুলন, নায়িকাৰ বিবিধ ৰূপ, ৰসোদ্‌গাৰ, প্ৰেম-বৈচিত্ৰ, বিৰহ ইত্যাদিৰ বৰ্ণনা বিস্তৃতভাৱে কৰিছে।

## গোবিন্দদাসৰ ৰাধা

ৰাধাই শ্ৰীকৃষ্ণৰ অপৰূপ সৌন্দৰ্যত বিমুগ্ধা হৈ তেওঁৰ প্ৰেমত মজিল। শ্ৰীকৃষ্ণই যেন স্মিত হাস্য কৰি মনৰ আকৃতি চকুৰ ঠাৱেৰে প্ৰকাশ কৰিলে। ফলত, ৰাধাৰ চকুৰ লাজো আনন্দৰ চকু পানীয়ে উটুৱাই নিলে—

কি আজ পেখলুঁ বিনোদ নাগৰ, কেলি-কদম্বৰ তলে।
ৰূপ নিৰখিতে আঁখিৰ লাজ, ভাসিল আনন্দ-জলে।।

শ্ৰীকৃষ্ণৰ 'মধুৰ মধুৰ তুয়া ৰূপে, জগজনলোচন-অমিয়া-স্বৰূপে' ৰাধাৰ চিত্ত হৰি নিছে, সেইবাবে হৃদয়ৰ মাজত দেখা পাইছে, 'নবীন ত্ৰিভঙ্গৰূপ' (হিয়া মাঝে দেখি)। প্ৰেমৰ স্পৰ্শত ৰাধাৰ মনত জাগিছে অপূৰ্ব অনুভূতিবোৰ। সেয়ে আনমজিমনভাৱে কেতিয়াবা বহি প্ৰেমাস্পদৰ কথা স্মৰণ কৰে আৰু কেতিয়াবা হুমুনিয়াহ কাঢ়ি ফুটন্ত কদম ফুলৰ পিনে চাই থাকে— 'নিশসি, নেহাৰসি ফুটল কদম্ব।' মনে-প্ৰাণে শ্যামময় হৈ পৰা ৰাধাৰ চকুত কাজলৰ ৰেখা, মুখত অনবৰত শ্যাম নাম, শ্যাম বৰণীয়া শাৰী, শ্যাম বৰণীয়া ডিঙিৰ হাৰ, বুকুৰ ওপৰত ধাৰণ কৰা মণিও শ্যাম বৰণীয়া—

লোচন শ্যামৰ বচনহু শ্যামৰ, শ্যামৰ চাৰু নিচোল।
শ্যামৰ হাৰ হৃদয় জনি শ্যামৰ, শ্যামৰ সখি কৰু কোৰ।।

---

অষ্টছাপ কবিসকলঃ বল্লভাচাৰ্যৰ (১৪৭৮-১৫৩০ খ্ৰীঃ) শিষ্যঃ কুম্ভনদাস, সুৰদাস, পৰমানন্দ দাস আৰু কৃষ্ণদাস। বিট্‌ঠলনাথৰ (১৫১৫-১৫৮৫খ্ৰীঃ) শিষ্যঃ গোবিন্দস্বামী, নন্দদাস, চতুৰ্ভুজ দাস আৰু ছীতস্বামী।

অনুৰূপ অৱস্থা কৃষ্ণৰো হৈছে। অপূৰ্ব সুন্দৰী ৰাধাই বিজুলীৰ চমকনিৰ দৰে কৃষ্ণৰ চকুত ধৰা দিছে—

আজু যো পেখলুঁ গোৰি কিশোৰী।
ত্ৰিভুবন থীৰ বিজুৰি কি জোৰী।।

ৰাধাৰ বিৰহে কৃষ্ণৰ টোপনি হৰি নিছে, ৰাধাৰ ধ্যান-ধাৰণাই তেওঁৰ হিয়া অধিকাৰ কৰিছে আৰু বিৰহ বেদনা নয়নৰ লোতকৰূপে বাজ ওলাইছে— 'গহন বিৰহ-গহ লাগি। ৰজনি পোহায়ই জাগি।। কৰতহি তোহাৰি ধেয়ান। নীঝৰে ঝৰই নয়ানে।।'এই বেদনাই কৃষ্ণৰ শৰীৰ জৰ্জৰিত কৰি তুলিছে, চিন্তাত দেহা শুকাই-খীণাই যাবলৈ ধৰিছে— 'বিৰহে ক্ষীণ তনু অনুখন জৰ জৰ, জিবইতে বিহি ভৈল বাম।' এয়ে নহয়, ৰাধা নামৰ কেৱল 'ৰা' শব্দ শুনাৰ লগে লগেই কৃষ্ণই চমক খাই উঠে, তেওঁ শৰীৰৰ পুলক সম্বৰণ কৰিব নোৱাৰা হয়— 'ৰাধানাম আধ শুনি চমকই, ধৰই না পাৰই অঙ্গ।' কৃষ্ণৰ অনুৰাগ ইমান প্ৰবল যে যমুনাৰ ঘাটত ৰাধাৰ পদচিহ্নবোৰ দেখি তাৰ ঘ্ৰাণ ল'বলৈ ধৰে, চুমা খাবলৈ ধৰে। কৃষ্ণৰ এনে প্ৰেমানুৰাগ দেখি কুলবতী বধূ ৰাধাৰ হিয়াই হাহাকাৰ কৰি উঠে, অপ্ৰত্যাশিত লোক-গঞ্জনাৰ বাবে শঙ্কিত হৈ পৰে—

একলা যাইতে যমুনা ঘাটে।
পদচিহ্ন মোৰ দেখিল বাটে।।
প্ৰতি পদচিহ্ন চুম্বয়ে কান।
তা দেখি আকুল বিকল প্ৰাণ।।
নাসা পৰশিয়া ৰহিল দূৰে।
লোক দেখিলে কি বলিবে মোৰে।।

ৰাধা-কৃষ্ণৰ পৰকীয়া প্ৰেমৰ পূৰ্ণ পয়োভৰ ঘটে দুয়োৰে মিলনত— বৃন্দাবনৰ কুঞ্জ-কাননত ঘটা সম্ভোগৰ মাজত। ৰাধা কুলবধূ। তেওঁৰ পতি দুৰ্মতি স্বভাৱৰ — 'পতি দুৰমতি খুৰধাৰ।' কুলবধূ হোৱা কাৰণে ৰাধাৰ বাহিৰত চলাফুৰা কৰা কঠিন (পতিক ত্যাগ কৰাও টান)। কিন্তু ৰাধাৰ কৃষ্ণৰ প্ৰেমত 'তনু মন জীবন জৰজৰ' হোৱা কাৰণে সখীয়েকসকলে আনি দুয়োৰে মিলন ঘটায়। সেইকাৰণে ৰাধাৰ সখীয়েকসকলে তেওঁক কৃষ্ণক গতাই দি সাৱধান বাণী শুনাবলৈকেও পাহৰা নাই—

তুয়া গুণে কুলবতী বৰত-সমাপনি
গুৰু-গৌৰব-ভয় ছোড়ি।
গুৰুজন দিঠি কন্টক তৰি আওলি
মনহি মনোৰথ ভোৰি।।
শুন মাধব! তোহে সোঁপলু ব্ৰজবালা।

গোবিন্দদাসৰ ৰাধা-কৃষ্ণৰ মিলনৰ অপূৰ্ব ক্ষণবোৰৰ বৰ্ণনাই তেওঁৰ কবিত্বক কৰিছে অতি ৰমণীয়, চিত্তাকৰ্ষক। প্ৰথম মিলনৰ সময়ত মুগ্ধা নায়িকা ৰাধাই মুখ অবনত কৰি

ভৰিৰ নখেৰে মাটিত আকুঁহি-বাকুঁহি থাকে অথচ প্ৰতিটো মুহূৰ্তত সচকিত হৈ থাকে যে কোন ফালে আহি মাধৱে ধৰেহি— 'অনুনয় বলয়িতে অবনত বয়নী। চকিত বিলোকন নখে লিখু ধৰণী।।' ইয়াৰ পিছত দুয়ো সুৰতি ক্ৰীড়াৰ পৰম আনন্দত হৈ পৰে নিমগ্ন— 'নিজপৰ দুহুঁ নাহি জান।'

অভিসাৰৰ অনুপম বৰ্ণনা গোবিন্দদাসৰ পদাৱলীবোৰত পোৱা যায়। বিদ্যাপতিৰ ৰাধাৰ দৰে গোবিন্দদাসৰ ৰাধাইয়ো অভিসাৰৰ ক্ষেত্ৰত অসীম সাহসৰ পৰিচয় দিছে। একাধিক পদাৱলীত ৰাধাই বিভিন্ন সময়ত, বিভিন্ন বাধাৰ মাজত কিদৰে অভিসাৰলৈ ওলাইছে তাৰ বৰ্ণনা কবিয়ে ৰাধা আৰু তেওঁৰ সখীয়েকসকলৰ বাৰ্তালাপৰ মাজেৰে দিছে। বৰ্ষাৰ ভয়ানক সংকটকালত ঘৰৰ দুৱাৰ বন্ধ থকাৰ কথা কৈ, বাটৰ দুৰ্গমতাৰ ভয় দেখুৱাইও (মন্দিৰ বাহিৰ কঠিন কবাট। চলইতে শঙ্কিল পঙ্কিল বাট।।) সখীয়েকসকলে ৰাধাক অভিসাৰৰ পৰা বিৰত কৰিব পৰা নাই। প্ৰাকৃতিক দুৰ্যোগ বা পাৰিবাৰিক বাধা ৰাধাৰ বাবে একো নহয়। বৰ স্পষ্ট ভাষাত ৰাধাই কৈছে যে কুলমৰ্যাদাৰ দুৱাৰেই যেতিয়া খুলিব পাৰিছে অৰ্থাৎ কুলমৰ্যাদাক বিসৰ্জন দিব পাৰিছে, তেওঁৰ বাবে কাঠৰ দুৱাৰৰ বাধা বা প্ৰাকৃতিক দুৰ্যোগে হেঙাৰৰ সৃষ্টি কৰিব নোৱাৰে। ৰাধাৰ কেৱল চিন্তা যে বৰ্ষাৰ দুৰ্যোগৰ সময়তো তেওঁৰ প্ৰিয়তম কৃষ্ণই নিশ্চয় অপেক্ষা কৰি আছে। সেইকথা স্মৰণ কৰিহে ৰাধাৰ বেজাৰ বাঢ়িছে— 'কৈছে হৃদয় কৰি পন্থ হেৰত হৰি, সোঙৰি সোঙৰি মন ঝুৰ।' যিজনাৰ চৰণ তলত নিজকে সঁপি দিছে সেইজনৰ প্ৰতীক্ষাৰ দুখ মোচন কৰিবৰ কাৰণে ৰাধাই নিজৰ দেহকো তুচ্ছ জ্ঞান কৰে— 'যছু পদতলে নিজ জীবন সোঁপলু, তাহে কি তনু অনুৰোধ।'

প্ৰেমৰ ৰাজ্যত মান-অভিমান, মিলন-বিৰহৰ চক্ৰ অবিৰামভাৱে ঘূৰি থাকে। ৰাধাৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম ঘটা নাই। ৰাধাৰ বিপ্ৰলব্ধা, খণ্ডিতা ইত্যাদি ৰূপেও গোবিন্দদাসৰ কাব্যক সমৃদ্ধ কৰিছে। মথুৰাৰ পৰা অক্ৰুৰে কৃষ্ণক নিবলৈ অহাৰ আশঙ্কাই ৰাধাক কৰিছে অতি বিতত আৰু মথুৰালৈ গুচি যোৱাৰ পিছত ৰাধাৰ বেদনাই চৰম অৱস্থা পাইছে। দূতীৰ যোগেৰে প্ৰিয়তমৰ সংবাদ লাভ কৰা, প্ৰিয়ৰ বিৰহত ছাটি-ফুটি কৰা ৰাধাৰ বেদনাই হৃদয় দ্ৰবিত কৰি তোলে। ৰাধাৰ বিলাপ বৃন্দাবনৰ কুঞ্জ-কাননত, নৈ-পাহাৰত ঠেকা খাই ধ্বনিত-প্ৰতিধ্বনিত হয়। বিৰহৰ জ্বালাত জ্বলি ৰাধা ৰূপৰ ভস্মত পৰিণত হয়— 'বিৰহ জৰে জৰি কনক মঞ্জৰী, ৰহল ৰূপক ছায়।' ৰাধাৰ শেষ কামনা দেহৰ পঞ্চভূত— ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম শ্ৰীকৃষ্ণৰ সেৱাত লাগক। ৰাধাৰ প্ৰেমৰ অনন্যতাই আত্মা-পৰমাত্মাৰ মিলনৰ আধ্যাত্মিক পথ প্ৰশস্ত কৰি তোলে। ৰাধাৰ হৃদয়ৰ আকুল প্ৰাৰ্থনা এইদৰে অভিব্যঞ্জিত হৈছে— প্ৰভুৱে য'লৈকে য'লৈকে তেওঁৰ অৰুণ চৰণেৰে যায়, সেই সেই ঠাইত যেন মোৰ দেহ ধৰণী (ক্ষিতি) হৈ পৰে। যি সৰোবৰত প্ৰভুৱে নিতে স্নান কৰে, তাৰ যেন মই পানী (অপ) হৈ ভৰি থাকিব পাৰোঁ। হে সখি! গোকুলচন্দ্ৰৰ (কৃষ্ণ) সৈতে মিলন ঘটিলে জীৱন আৰু মৃত্যুৰ মাজৰ ভেদ নোহোৱা হৈ পৰে। যি দৰ্পণত

প্ৰভুৱে নিজৰ মুখ চায়, মোৰ অঙ্গৰ জ্যোতি (তেজ) যেন তাত সমাহিত হৈ পৰে। যি বিচনীৰে প্ৰভুৱে বা লয়, তাত মোৰ দেহ যাতে মৃদু মলয়া (মৰুৎ) হৈ মিলি পৰে। য'ত জলধৰশ্যাম প্ৰভুৱে বিচৰণ কৰে, মোৰ অঙ্গ যেন সেই ঠাইত আকাশ (ব্যোম) হৈ পৰে। গোবিন্দদাসে কয়— হে সোণৰ গৌৰি! সেই মৰকতবৰ্ণ শ্যামে জানো তোমাক ত্যাগ কৰিব পাৰিব?

যাঁহা পহুঁ অৰুণ চৰণে চলি যাত।
তাঁহা তাঁহা ধৰণি হইয়ে মঝু গাত।।
যো সৰোবৰে পহুঁ নিতি নিতি নাহ।
হাম ভৰি সলিল হোই তথি মাহ।।
এ সখি বিৰহ মৰণ নিৰনন্দ।
ঐছনে মিলই যব গোকুলচন্দ।।
যো দৰপনে পহুঁ নিজমুখ চাহ।
মঝু অঙ্গ জ্যোতি হই তথি মাহ।।
যো বীজনে পহুঁ বীজই গাত।
মঝু অঙ্গ তাহি হোই মৃদু বাত।।
যাঁহা পহুঁ ভৰমই জলধৰ শ্যাম।
মঝু অঙ্গ গগন হোই তছু ঠাম।।
গোবিন্দদাস কহ কাঞ্চন-গোৰি।
সো মৰকত-তনু তোহে কিয়ে ছোড়ি।।

গোবিন্দদাসৰ **গৌৰচন্দ্ৰিকা** পদৰ সংখ্যাও ডেঢ় কুৰি মান আছে। শ্ৰীচৈতন্যৰ ৰূপ, লীলা-মাধুৰীৰ বৰ্ণনাৰে এই পদবোৰ সমৃদ্ধ। 'মদনমোহন তনু গৌৰাঙ্গ সুন্দৰ'ক কবিয়ে 'পতিত পাবন অবতাৰী' ৰূপে স্থান দিছে। ইয়াৰ উপৰি কবিৰ শ্ৰীৰামচন্দ্ৰ, বন্দনাসূচক, প্ৰাৰ্থনাসূচক প্ৰভৃতি পদাৱলীও পোৱা যায়।

গোবিন্দদাস আছিল সংস্কৃতৰ এগৰাকী বিদগ্ধ পণ্ডিত। তেওঁ 'সঙ্গীত মাধৱ' নাটকৰ উপৰি সংস্কৃতত গীতি-কবিতাও ৰচনা কৰিছে। গোবিন্দদাসৰ পদাৱলীবোৰ কীৰ্তনীয়াসকলৰ অতি আদৰৰ সম্পদৰূপে স্বীকৃত হৈছে। বৈষ্ণৱ কবিৰ ভক্ত-হৃদয়ৰ উচ্ছ্বাস সৰ্বস্ব গীতি-কবিতাবোৰে গোবিন্দদাসক বঙ্গৰ বৈষ্ণৱ সমাজত এক মহিমামণ্ডিত আসনত যে প্ৰতিষ্ঠিত কৰিছে, সি ধ্ৰুৱপ।

গোবিন্দদাসৰ

## বৰ্ষাভিসাৰ

মন্দিৰ বাহিৰ কঠিন কবাট।
চলইতে শঙ্কিল পঙ্কিল বাট।।
তঁহি অতি দৰদৰ[1] বাদৰ দোল।
বাৰি কি বাৰই নীল নিচোল।।
এ সখি[2] কৈছে কৰবি অভিসাৰ।
হৰি ৰহু মানস সুৰধুনি পাৰ।।
ঘন ঘন ঝন ঝন বজৰ নিপাত।
শুনইতে শ্ৰৱণ মৰম জৰি যাত।।
দশ-দিশ দামিনি দহন বিথাৰ।
হেৰইতে উটকই লোচন তাৰ।।
ইথে জানি অব তুহুঁ[3] তেজবি গেহ।
প্ৰেমক লাগি উপেখবি দেহ।।
গোবিন্দদাস কহ ইথে কি বিচাৰ।
ছুটল বাণ কিয়ে যতনে নিবাৰ।।

**পাঠান্তৰ ঃ** ১। দূৰতৰ ২। সুন্দৰি ৩। ইথে যব সুন্দৰি।

**শব্দাৰ্থ ঃ** শঙ্কিল=শঙ্কাযুক্ত, ভয়পূৰ্ণ। বাৰই=নিবাৰণ কৰিব পৰা। মানস-সুৰধুনি=গোবৰ্দ্ধন গাঁৱৰ মানস গঙ্গা। মৰম=প্ৰাণ, হৃদয়। উটকই=উৎপীড়িত হয়।

**প্ৰসঙ্গ ঃ** বৰ্ষাৰ দুৰ্দিনতো শ্ৰীকৃষ্ণৰ লগত অভিসাৰ কৰিবলৈ উদ্যত হোৱা ৰাধাক সখীয়েকসকলে এনে দুৰ্বাৰ যাত্ৰাৰপৰা বাৰণ কৰিবৰ হেতু পথৰ বাধা-বিঘিনিৰ কথা সকীয়াই দিছে।

**অৰ্থ ঃ** হে সখি! ঘৰৰ বাহিৰৰ সুদৃঢ় কপাটে (দুৱাৰ) বাহিৰলৈ ওলোৱা পথ বন্ধ কৰিছে। বোকাময় পথ ব্যাঘ্ৰ-সৰ্পাদি ভয়াবহ জন্তুৰে ভৰপূৰ। তাৰ উপৰি কলহৰ কাণে ঢলা বৰষুণ আৰু তীব্ৰ বতাহ বলিছে। তোমাৰ নীলা শাৰীৰ অবগুণ্ঠনে জানো সেই পানীক বাধা দিব পাৰিব? এনে অৱস্থাৰ মাজত তুমিনো কিদৰে অভিসাৰ কৰিবা! হৰি (শ্ৰীকৃষ্ণ) যে বহু দূৰৈত মানস গঙ্গাৰ পাৰত আছে। সঘনে বজ্ৰ পৰিছে, কড়ক্ কড়ক্ শব্দ হৈছে; শুনিলেই কাণ আৰু প্ৰাণ (হৃদয়) যেন জ্বলি যায়। কেউপিনে বিজুলীৰ চমকনি, চকু চাৎ মাৰি ধৰে। এনে অৱস্থাত যদি ঘৰ এৰি বাহিৰ ওলোৱা, তেনেহ'লে প্ৰেমৰ বাবে দেহক উপেক্ষা কৰা হ'ব। গোবিন্দদাসে কয়, এয়া জানো কিবা যুক্তিৰ কথা হ'ল? যি শৰ এবাৰ নিক্ষেপিত হৈছে, তাক জানো পুনৰ ঘূৰাই পাব পাৰি? শ্ৰীৰাধাই মনতে যি পাঙিছে তাক জানো এতিয়া বাধা দিয়া সম্ভৱ?